# ড° লক্ষ্মীনন্দন বৰাৰ অতুল্য ব্যক্তিত্বৰ বৈশিষ্ট্য



ড° প্ৰদীপ নেওগ

অসমীয়া সাহিত্য জগতৰ উজ্জ্বল নক্ষত্ৰ হিচাপে সুদীৰ্ঘকাল জিলিকি থাকি কেইদিনমান পূৰ্বে আমাৰ পাৰ্থিৱ দৃষ্টিৰ পৰা আঁতৰি যোৱা প্ৰথিতযশা সাহিত্যিক, পদ্মশ্ৰী ড° লক্ষ্মীনন্দন বৰাৰ সাহিত্য কৃতিৰ বিষয়ে এই লেখাত আলোচনা কৰিব খোজা নাই। তেখেতৰ অতুলনীয় ব্যক্তিত্বৰ কেইটামান বৈশিষ্ট্যহে চমুকৈ দাঙি ধৰিবৰ প্ৰয়াস কৰিছোঁ। পৰিয়ালৰ সদস্য হিচাপে সুদীৰ্ঘ কাল তেখেতৰ চেনেহী সান্নিধ্য আৰু স্নেহাশিস লাভ কৰাৰ পৰম সৌভাগ্য হোৱাৰ বাবেই তেখেতৰ ব্যক্তিত্ব আৰু জীৱনশৈলীৰ ভালেখিনি অনুকৰণীয় গুণ আৰু দক্ষতাই আমাক সততে অনুপ্ৰাণিত কৰি আহিছে। এই গুণ আৰু দক্ষতাবিলাকে তেখেতৰ কৰ্মময় জীৱন সোণোৱালী হোৱাত আৰু পাৰিবাৰিক জীৱন সফল আৰু সুখময় হোৱাত সুদূৰপ্ৰসাৰী বৰঙণি দিয়া বুলি অনায়াসে উপলব্ধি কৰিব পাৰি। আনহাতে মই ব্যক্তিগতভাৱে সিবিলাকৰ প্ৰায়খিনিয়েই নিজৰ জীৱনত প্ৰয়োগ আৰু অভ্যাস কৰিবলৈ যত্নপৰ হৈ প্ৰভূত উপকৃত হৈছোঁ। সেই গুণ আৰু দক্ষতাৰাজিৰ সৰু-সুৰা অথচ অতি গুৰুত্বপূৰ্ণ খুঁটি-নাটি আৰু ব্যৱহাৰিক কিটিপ-কৌশল শিকায়ো তেখেতে মোক উপকৃত আৰু ঋণী কৰি থৈ গৈছে। তদুপৰি তেখেতৰ বুকুৰ আপোন হোৱা বাবেই উপলব্ধি কৰি আহিছোঁ অনাবিল সুখানুভূতি আৰু যথোচিত গৰ্ব। মন-প্ৰাণত এনে ভাববোধৰ জোৱাৰ উঠে যেতিয়াই তেখেতৰ একোখন গ্ৰন্থ প্ৰকাশ পায়, যেতিয়াই একোটা বঁটা তথা স্বীকৃতি লাভ কৰে, যেতিয়াই সভা-সমিতি একোখনত তেখেতক যাচে অফুৰন্ত মান-সন্মান, চেনেহ আৰু স্বীকৃতি। সেয়েহে গুণী, জ্ঞানী আৰু যশস্বী ব্যক্তিক আপোন কৰি পৰম কৃপা কৰা বাবে পৰমপুৰুষ ভগৱানক জনাই আহিছোঁ শতকোটি কৃতজ্ঞতা। এই লেখাত তেখেতৰ সবল, সুখী, মহীয়ান আৰু অনুকৰণীয় ব্যক্তিত্বৰ যৎকিঞ্চিৎ আভাস দিবলৈ প্ৰয়াস কৰিছোঁ।

## নিয়মিত পৰিকল্পিত অধ্যয়ন আৰু যোগাভ্যাস

পঢ়াটো তেখেতৰ চখ নাইবা নিচা বুলিবই পাৰি। দৈনিক কেইবাখনো বাতৰিকাকত পঢ়াৰ উপৰি নিয়মিত কেইবাখনো আলোচনী পঢ়ে। তদুপৰি পঢ়ে বছা বছা গ্ৰন্থ। প্ৰয়োজনত বিশেষ একোখন গ্ৰন্থ বেচ কষ্ট কৰি আনিও পঢ়ে। অসমীয়া, বাংলা আৰু ইংৰাজী—এই তিনিওটা ভাষা অনায়াসে আৰু বেচ খৰকৈ পঢ়িব পাৰে। গুৰুত্বপূৰ্ণ বুলি বোধ হোৱা বাক্য আৰু শব্দ গাঁথনিৰ তলত চিয়াঁহীৰে আঁচ টানি ৰাখে যাতে ভৱিষ্যতে আৱশ্যক অনুসৰি থাউকতে পঢ়িব বা ব্যৱহাৰ কৰিব পাৰে। তেখেতে গল্প-উপন্যাস যিমান মনপুতি পঢ়ে সিমান মনোযোগেৰেই পঢ়ে সমাজতাত্ত্বিক, ৰাজনৈতিক, আধ্যাত্মিক, মনস্তাত্ত্বিক আৰু স্বাস্থ্য সম্বন্ধীয় তত্ত্বসমৃদ্ধ গ্ৰন্থ তথা প্ৰবন্ধ-পাতি। এই অধ্যয়নশীলতাই তেখেতৰ সাহিত্য চৰ্চাৰ বিষয়বস্তু বৈচিত্ৰ্যময় আৰু অতি বিস্তৃত হোৱাত অন্যতম অৰিহণা যোগাইছিল, আৰু সেই সৃষ্টিসমূহ অধ্যয়নপুষ্ট প্ৰজ্ঞা, তথ্য, বিশ্লেষণ, উপলব্ধি আদিৰ জ্যোতিৰে জ্যোতিষ্মান হোৱাত সহায়ক হৈছিল।

ব্যস্ততাপূৰ্ণ জীৱনত অধ্যয়নৰ লগতে দৈনিক অৱশ্য কৰণীয় হৈছে যোগাভ্যাস। মাজ বয়সৰ পৰা আৰম্ভ কৰি আজীৱন নিয়মিত যোগাভ্যাস কৰিছিল। আজিৰ পৰা কেইদশকমান আগলৈকে অসমীয়াত যোগাভ্যাসৰ জনপ্ৰিয় পুথি প্ৰকাশ পোৱা নাছিল। সেয়ে তেখেতে এইবিষয়ক এখন বাংলা ভাষাৰ সচিত্ৰ পুথি যোগাৰ কৰি লৈছিল। যোগাভ্যাসৰ প্ৰয়োজনীয়তা তথা উপকাৰিতা দকৈ উপলব্ধি কৰিছিল বাবে নিজে অভ্যাস কৰাৰ উপৰি আনকো কৰিবলৈ উৎসাহিত কৰিছিল। এইবিষয়ক এখন ব্যৱহাৰিক পুথিও লিখি থৈ গৈছে।

## ভাগৰে টলাব নোৱৰা কষ্টসহিষ্ণুতা আৰু দৃঢ়তা

ভাগৰ বোলা বস্তুটো যেন তেখেতৰ অভিধানত নাই। তাহানিৰ ৰঙা বাছত দিনৰ দিনটো যাত্ৰা কৰি ঘৰ আহি পোৱাৰ কিছুসময়ৰ পাছতে কলম হাতত তুলি দুই-চাৰি পৃষ্ঠা লিখা দেখি আমি তবধ মানিছিলোঁ। লগতে অনুপ্ৰেৰণাও পাইছিলোঁ, আৰু হৃদয়ংগম কৰিছিলোঁ জীৱনত বিশেষ সফলতা লাভ কৰিবলৈ হ'লে কেনে পৰ্যায়ৰ উদ্যম, মনোবল, কষ্টসহিষ্ণুতা, একাগ্ৰতা আৰু অধ্যৱসায়ৰ প্ৰয়োজন। আলোচনী একোখনৰ বাবে যুগুত কৰা গল্প-উপন্যাস একোখন নিৰ্দিষ্ট দিনত পঠিয়াব বুলি থিৰাং কৰি কলম ধৰিলে যিকোনো কষ্ট স্বীকাৰৰ বিনিময়ত সময়ত বা দুদিন আগতীয়াকৈ পঠিয়াবই। নবৈৰ দশকৰ আৰম্ভণিত এবাৰ তেখেতে